**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-12-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***::::::::::::::::::::::::::::::***

এখন দেশ এটা নিৰ্বাচন সন্দৰ্ভত লোকসভাত কাইলৈ দুখন বিধেয়ক উত্থাপন কৰা হ'ব। কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে ১২৯ সংখ্যক সংবিধান সংশোধনী বিধেয়ক আৰু কেন্দ্ৰীয় শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক নিম্ন সদনত উত্থাপন কৰিব।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই **এখন দেশ এটা নিৰ্বাচন** বিধেয়কৰ জৰিয়তে সকলো উপকৃত হ'ব বুলি মত প্ৰকাশ কৰিছে। এই বিধেয়কখন আইনত পৰিণত হ'লে দেশত নিৰ্বাচন সম্পৰ্কীয় ব্যয় হ্ৰাস হ'ব বুলিও তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে নিৰ্বাচনী প্ৰচাৰ একে সময়তে হ'লে সকলো পক্ষ উপকৃত হ'ব। সংসদত এই বিধেয়ক সন্দৰ্ভত চৰ্চা হ'লে এই বিষয়ে সকলো পক্ষ অৱগত হ'ব বুলিও তেওঁ উল্লেখ কৰে। স্বাধীনতাৰ কালত সমগ্ৰ দেশত একেলগে নিৰ্বাচন অনুষ্ঠিত হৈছিল যদিও পাছলৈ কংগ্ৰেছৰ শাসনকালত দেশত নিৰ্বাচন ব্যৱস্থা পৰিৱৰ্তন হয় বুলি তেওঁ মত প্ৰকাশ কৰে। এই বিধেয়কখন আইন হিচাপে গৃহীত হ'লে নিৰ্বাচনী প্ৰক্ৰিয়াটো সুসংহত হোৱাৰ লগতে ইয়াৰ ক্ষিপ্ৰতা বৃদ্ধি পাব বুলি আশা কৰা হৈছে।

ooo

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ তথা আয়ুষ দপ্তৰৰ ৰাজ্য মন্ত্ৰী প্ৰতাপ ৰাও যাদৱে আজি চাংসাৰিৰ সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান এইমছ পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে এইমছৰ আয়ুষ চিকিৎসালয়ত উপস্থিত হৈ কৰ্মচাৰী, বিষয়ববীয়া তথা চিকিৎসকসকলৰ সৈতে মত-বিনিময় কৰে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহলে এই পৰিদৰ্শন কালত শ্ৰীযাদৱক সংগ দিয়ে। শ্ৰীযাদৱে দৰং জিলাৰো কিছু অঞ্চল পৰিদৰ্শন কৰি অভিলাষী জিলা আৰু উন্নয়ন খণ্ডৰ অধীনত চলি থকা বিভিন্ন উন্নয়নমূলক কাম-কাজৰ খতিয়ান লয়। তেওঁ মোৰামাৰী গাঁৱত আয়ুষ্মান আৰোগ্য মন্দিৰ পৰিদৰ্শন কৰাৰ লগতে গেৰিমাৰীত নিৰ্মীয়মান অসম দক্ষতা বিশ্ববিদ্যালয় প্ৰকল্পৰ অগ্ৰগতিৰ বুজ লয়। দৰং জিলাৰ স্থানীয় লোকসকলৰ সৈতে মত-বিনিময় কৰি মন্ত্ৰীগৰাকীয়ে দৰংবাসীৰ অতিথি পৰায়নতাৰ শলাগ লয়। দৰঙৰ লোকসকল সমাজ গঠন তথা বিকাশৰ হকে কাম কৰিবলৈ ইচ্ছুক বুলি প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে তেওঁলোকক প্ৰশংসা কৰে।

ooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক যোৰহাট অধিবেশন আৰু অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম পাঠশালা অধিবেশনৰ প্ৰস্তুতি সন্দৰ্ভত দুয়োটা অনুষ্ঠানৰ বিষয়ববীয়াৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে দুয়োখন অধিবেশন নিয়াৰিকৈ সম্পন্ন হোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শংকৰ সংঘ আৰু সাহিত্য সভাৰ বিষয়ববীয়াসকলে অধিবেশনস্থলীত বিদ্যুতৰ সুব্যৱস্থা, বাট-পথৰ উন্নয়ন সাধন, বিশুদ্ধ খোৱাপানী যোগান আদি দিশত ৰাজ্য চৰকাৰৰ সহযোগিতা কামনা কৰে। এই বৈঠকত পঞ্চায়ত

আৰু গ্ৰামোন্নয়ন মন্ত্ৰী তথা অসম সাহিত্য সভা পাঠশালা অধিবেশনৰ আদৰণীয় সমিতিৰ সভাপতি ৰঞ্জিত কুমাৰ দাস, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট অধিবেশনৰ আদৰণি সমিতিৰ সভাপতি ড০ নবীন চন্দ্ৰ বৰাকে ধৰি অন্য বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০

ব্ৰহ্মপুত্ৰৰ নৈসৰ্গিক পৰিবেশত গুৱাহাটীৰ লাচিত ঘাটত আজি ব্ৰহ্মপুত্ৰ কাৰ্ণিভেল উৎসৱ আৰম্ভ হৈছে। পৰ্যটন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে উদ্বোধন কৰা এই উৎসৱ ৯০ দিন ধৰি চলিব। মন্ত্ৰী শ্ৰীদাসে এই উৎসৱৰ শুভাৰম্ভ কৰি কয় যে মহাবাহু ব্ৰহ্মপুত্ৰ অবিহনে অসমৰ সভ্যতা, সংস্কৃতি আধৰুৱা বুলি ক'ব পাৰি। ব্ৰহ্মপুত্ৰৰ বালিচাপৰিত আয়োজিত এই শীতকালীন মহোৎসৱৰ জৰিয়তে পৰ্যটকসকলে অসম তথা উত্তৰ-পূবৰ কৃষ্টি-সংস্কৃতিৰ সৈতে চিনাকি হোৱাৰ উপৰি খাদ্য সম্ভাৰৰ সোৱাদ ল'ব পাৰিব। তদুপৰি বিভিন্ন থলুৱা খেল-ধেমালিৰ অভিজ্ঞতাও ল'ব পাৰিব। অহা বছৰৰ ১৫ মাৰ্চত এই উৎসৱৰ সামৰণি পৰিব।

০০০

বাক্সা জিলাৰ নিকাছী উচ্চ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী মহোৎসৱৰ আজি সামৰণি পৰে। আজিৰ অনুষ্ঠানত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত অংশ লৈ দিয়া ভাষণত শ্ৰীদৈমাৰীয়ে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ লেখিয়াকৈ চৰকাৰী খণ্ডৰ বিদ্যালয়সমূহতো শিক্ষক-অভিভাৱকৰ যৌথ সভা অনুষ্ঠিত কৰি ভাৱ-বিনিময় কৰাৰ ওপৰত গুৰুত্ব দিয়ে।

০০০

কাৰ্বি আংলং জিলাৰ বিভিন্ন জনগোষ্ঠীৰ উমৈহতীয়া সাংস্কৃতিক মঞ্চ হিল্‌ছ পিপল্‌ছ কালচাৰেল ফ'ৰামৰ নৱম প্ৰতিষ্ঠা দিৱস আজি ভাতৃত্ববোধৰ দিৱস হিচাপে পালন কৰা হয়। এই উপলক্ষে ডিফু চহৰত শান্তিৰ কামনাৰে আৰু বৰ্ণাঢ্য সাংস্কৃতিক উপাদান লৈ সমদল উলিওৱা হয়। তদুপৰি ডিফু ক্লাবত ৰাজহুৱা সভাৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ লগতে পৰিষদৰ কেইবাগৰাকীও সদস্য উপস্থিত থাকে।

০০০

নামনি অসমৰ বিভিন্ন জিলাত আজি লোক উৎসৱ মহোহো বা মহ খেদা পালন কৰা হৈছে। আঘোণৰ পূৰ্ণিমাৰ সন্ধিয়া গাঁৱৰ গৰখীয়া আৰু চেমনিয়া ল'ৰাই ঘৰে ঘৰে গৈ টাঙোণেৰে কোবাই মহ খেদা গীত পৰিবেশন কৰে। অসমীয়া ভাষাৰ মহ আৰু বড়ো ভাষাৰ হো শব্দৰ পৰা মহোহো শব্দৰ উৎপত্তি হৈছে বুলি জনা যায়। নামনি অসমৰ কামৰূপ, গোৱালপাৰা, নলবাৰী, বৰপেটা, দৰং, বাক্সা, বজালীকে ধৰি কেইবাখনো জিলাত এই উৎসৱ পালন কৰা হয়।

০০০

ওদালগুৰি জিলাৰ টংলা চিত্ৰনগৰ নিবাসী জলসিঞ্চন বিভাগৰ টংলা সংমণ্ডলৰ অৱসৰপ্ৰাপ্ত কনিষ্ঠ অভিযন্তা বনমালী দাসৰ যোৱা নিশা দেহাৱসান ঘটে মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮০ বছৰ। বিভিন্ন সামাজিক সংগঠনৰ সৈতে জড়িত দাসৰ বিয়োগত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

০০০

ঃঃ সমাপ্ত ঃঃ